জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২১০/২০২১

**বন বিভাগৰ টেৰিট'ৰিয়েল ডিভিজনৰ সংমণ্ডল বন প্ৰাধিকাৰীসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়**

# বন বিভাগে স্বচ্ছতা আৰু নিষ্ঠাৰে কাম কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৪ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এক বৈঠকত ৰাজ্যখনৰ বন বিভাগৰ টেৰিট'ৰিয়েল ডিভিজনসমূহৰ সংমণ্ডল বন প্ৰাধিকাৰী (ডিএফঅ') সকলৰ সৈতে মত-বিনিময় কৰি ৰাজ্যখনৰ বনভূমি আৰু বনজ সম্পদৰ সুৰক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা কৰে।

মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যখনৰ বনভূমি আৰু বনজ সম্পদসমূহৰ উপযুক্ত সুৰক্ষাৰ দিশত ডিএফঅ'সকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ৰাজ্যখনৰ সেউজ আৱৰণ, জীৱকূল আৰু পক্ষীকূলক সুৰক্ষা প্ৰদানৰ দিশত ডিএফঅ'সকলে তেওঁলোকৰ কৰ্তব্য স্বচ্ছতা আৰু নিষ্ঠাসহকাৰে পালন কৰিব লাগিব। বন বিভাগত দুৰ্নীতিৰোধ কৰাটো ৰাজ্য চৰকাৰৰ এক উচ্চ অগ্ৰাধিকাৰ বিষয় বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্যখনৰ বনভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বনভূমিত যাতে কোনোধৰণৰ নতুন বেদখল নহয় সেইটো নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈ বন বিভাগক নিৰ্দেশ দিয়াৰ উপৰি পদ্ধতিগতভাৱে বনভূমি বেদখলমুক্ত কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। বনভূমিৰ ওপৰত তীক্ষ্ণ নিৰীক্ষণ অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে বনভূমি বেদখলমুক্তকৰণৰ দিশত ক্ষিপ্ৰতাৰে কাৰ্যব্যৱস্থা লোৱাৰ বাবেও বিভাগক নিৰ্দেশ দিয়ে।

ৰাজহ আহৰণৰ বাবে বন এলেকাৰ আওতাৰ বাহিৰৰ খনিজ সম্পদৰ যথোপযুক্ত ব্যৱহাৰৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে পাৰিপাৰ্শ্বিকতা বিনষ্ট নকৰাকৈ বনাঞ্চলৰ আওতাৰ বাহিৰৰ খনিজ সম্পদ আহৰণেৰে ৰাজহ সংগ্ৰহ কৰাটোৰ ওপৰত বিভাগে অগ্ৰাধিকাৰ প্ৰদান কৰিব লাগিব।

আজিৰ বৈঠকত বহনক্ষম আৰু পাৰিপাৰ্শ্বিক অনুকূল ব্যৱস্থা গ্ৰহণেৰে বনগাঁওসমূহত বসবাস কৰা বাসিন্দাসকলৰ অৰ্থনৈতিক সৱলীকৰণৰ দিশটোৰ ওপৰতো বিতং আলোচনা কৰা হয়। বনগাঁওসমূহৰ বাসিন্দাসকলক মৌপালন, কাঠফুলাৰ খেতি ইত্যাদিৰ জৰিয়তে বিত্তীয়ভাৱে সৱলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত বনগাঁওসমূহৰ বাসিন্দাসকলক উপযুক্ত প্ৰশিক্ষণ প্ৰদানৰ বাবে কেন্দ্ৰীয় সংস্থাসমূহৰ সৈতে যোগাযোগ চলাই ইয়াৰ সম্ভাৱনীয়তা বিকশাই তোলাৰ বাবেও বন বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত প্ৰতি ৬ মাহৰ মূৰত ডিএফঅ'সকলৰ বৈঠক অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হয়। টেৰিট'ৰিয়েল ডিএফঅ'সকলৰ আজি অনুষ্ঠিত হোৱাৰ বৈঠকৰ উপৰি ডিএফঅ' (বন্যপ্ৰাণী) সকলৰ আন এখন বৈঠক অচিৰেই অনুষ্ঠিত হ'ব। পৰৱৰ্তী কেবিনেট বৈঠকত বন বিভাগৰ সংস্কাৰৰ ওপৰত বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আজিৰ এই বৈঠকত পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, বন বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠী, প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন বাহিনীসমূহৰ মূৰব্বী অলকা ভাৰ্গৱৰ উপৰি বন বিভাগৰ উচ্চপদস্থ বিষয়াসকলে অংশগ্ৰহণ কৰে।

**স্বাক্ষৰ / বঃভাঃ**
**১৪/০৮/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in